**3.9 মুদ্ৰাৰ যোগান নিৰ্ধাৰণ ঃ নিৰ্ধাৰক সমূহ, ধন সৃষ্টি, একক বেংকৰ ধন সৃষ্টি, বেংক ব্যৱস্থাৰ ধন সৃষ্টি, ধন গুণক, ধন সৃষ্টিৰ সীমাবদ্ধতা (Determination of money supply : Determinants, Credit creation, Credit creation by single bank, Multiple credit creation by banking system, credit multiplier, Limitations of credit creation.)**

**3.10 মুদ্ৰাৰ যোগান ঃ মুদ্ৰা যোগানৰ উপাদান সমূহ, পৰম্পৰাগত দৃষ্টিভংগী, আধুনিক দৃষ্টিভংগী, প্ৰচলিত মুদ্ৰা, প্ৰচলিত মুদ্ৰাৰ ওপৰত প্ৰভাৱ পেলোৱা উপাদান সমূহ, বেংক মুদ্ৰা, মুদ্ৰা যোগানৰ সংজ্ঞা সম্পৰ্কীয় দৃষ্টিভংগী, মুদ্ৰাৰ গতিবেগ (Supply of money : Constituents, Traditional view, Modern view, Currency money, Factors influencing currency money, Bank money, Approaches to the definition of money supply, Velocity of money)**

মুদ্ৰাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা সম্পৰ্কে অৰ্থনীতিবিদ সকলৰ মাজত কোনো দ্বিমত নাই। তথাপি তেওঁলোকে মুদ্ৰাৰ নিৰ্দিষ্ট ধাৰণা আৰু অৰ্থৰ ক্ষেত্ৰত সহমতত উপনীত হ'ব পৰা নাই, কেনেকৈ মুদ্ৰাৰ সংজ্ঞা আগবঢ়োৱা হ'ব আৰু কেনেকৈ ইয়াৰ জোখ লোৱা হ'ব। কাৰণ মুদ্ৰাৰ এক সঠিক সংজ্ঞা দুটা মূল কাৰণত প্ৰয়োজন হয়। প্ৰথমে, তত্বগত (theoritical) মুদ্ৰাৰ সংজ্ঞা আৰু ব্যৱহাৰিক (empirical or measurable) সংজ্ঞাৰ মাজত এক ওতঃপ্ৰোত সম্বন্ধ থকা প্ৰয়োজন। দ্বিতীয়তে, মুদ্ৰাৰ ব্যৱহাৰিক সংজ্ঞাই নিশ্চিতভাৱে জাতিৰ ভৱিষ্যতৰ চূড়ান্ত লক্ষ্য আৰু উদ্দেশ্যৰ সৈতে সম্পৰ্কিত হ'ব লাগিব।

সাম্প্ৰতিক সমাজ জীৱনত মুদ্ৰাৰ গুৰুত্ব আৰু তাৎপৰ্য্য বহুলভাৱে বৃদ্ধি পাইছে। বিনিময়ৰ মাধ্যম আৰু হিচাপৰ একক হিচাপে মুদ্ৰাক বাদ দি সমাজ জীৱন স্থবিৰ হৈ পৰিব। অৰ্থনৈতিক কাম-কাজৰ প্ৰগতি, বাণিজ্যিক সম্প্ৰসাৰণৰ মূলতে আছিলা হ'ল মুদ্ৰা। যাৰ ফলত অতীতৰ পণ্য বিনিময় ব্যৱস্থা (bater system) ৰ অসুবিধা সমূহ দূৰ হোৱাৰ লগতে আধুনিক জীৱন যাত্ৰা সুচাৰুৰূপে পৰিচালিত হোৱাত মুদ্ৰাই সহায় কৰিছে।

**3.1 মুদ্ৰাৰ গুৰুত্ব আৰু ইয়াৰ সংজ্ঞা** (Importance of money and its Definition) ঃ

মুদ্ৰাৰ সংজ্ঞা বিভিন্ন অৰ্থনীতিবিদ সকলে ভিন্ন ধৰণে আগ বঢ়াইছে। তলত কেইটামান এই সম্পৰ্কীয় সংজ্ঞা আগবঢ়োৱা হ'ল।

(i) ৱাকাৰৰ মতে মুদ্ৰাই যি কৰে সিয়ে মুদ্ৰা, "Money is that money does" – Walker

(ii) চেলিগমেনে মুদ্ৰাৰ সংজ্ঞা আগবঢ়াই কয় যে, সাধাৰণ গ্ৰহণযোগ্যতাৰ গুণ থকা যিকোনো বস্তুৱেই মুদ্ৰা। "One thing that possesses general acceptability is money" – Saligman,

(iii) ডি এইচ. ৰবাৰ্টচনৰ মতে, মুদ্ৰা হ'ল যিকোনো বস্তু যাক বয় বস্তুৰ মূল্য পৰিশোধত বহুলভাৱে গ্ৰহণযোগ্য বা অন্যান্য ব্যৱসায়িক লেনদেন সমূহ সমাধা কৰা হয়। "any thing which is widely accepted in payment for goods or in discharge of other kinds of business obligations is called money" – D. H. Robertson.

(iv) জি. ডি. এইচ. কুলৰ মতে, মুদ্ৰাৰ গুৰুত্বপূৰ্ণ দিশটো হ'ল এই যে ই প্ৰচলন কাৰ্য্যত এজনৰ হাতৰ পৰা অন্য এজনৰ হাতলৈ গতি কৰে। "the essence of money in that it can be passed from hand to hand in one act of circulation to another" – G. D. H. Cole.

(v) ক্ৰাউথাৰে মুদ্ৰাৰ সংজ্ঞা আগবঢ়াই কয় যে, সাধাৰণ গ্ৰহণযোগ্যতা থকা বিনিময়ৰ মাধ্যম, মূল্যৰ জোখ আৰু মূল্যৰ সঞ্চয় হিচাপে ব্যৱহাৰ কৰিব পৰা যিকোনো বস্তুয়েই মুদ্ৰা। "anything that is generally acceptable as a means of exchange and at the sametime act as a measure and store of value" – Crowther.

ওপৰত উল্লেখ কৰা মুদ্ৰাৰ বিভিন্ন সংজ্ঞা সমুহৰ পৰা এইটো স্পষ্ট হয় যে, মুদ্ৰা নিতান্তই এক কাৰ্য্য সম্পাদনকাৰী মাধ্যম আৰু ই নিশ্চিতভাৱে সাধাৰণ গ্ৰহণযোগ্যতা নীতি পূৰণ কৰিব লাগিব। গতিকে, মুদ্ৰাৰ এক সম্পূৰ্ণ সংজ্ঞাই মুদ্ৰাৰ সকলোবোৰ কাৰ্য্য আৰু ইয়াৰ মৌলিক বৈশিষ্ট্য, সাধাৰণ গ্ৰহণযোগ্যতা প্ৰতিফলন ঘটাব লাগিব। এই দিশৰ পৰা মুদ্ৰাৰ সংজ্ঞা সম্পৰ্কীয় ক্ৰাউথাৰৰ সংজ্ঞাটো অন্যান্য সংজ্ঞাতকৈ উন্নত হিচাপে বিবেচনা কৰা হয়।

## 3.2 মুদ্ৰাৰ সংজ্ঞা সম্পৰ্কীয় দৃষ্টিভঙ্গী (Approaches to the Definition of Money) ঃ

মুদ্ৰাত নিহিত উপাদান সমূহৰ ভিত্তিত মুদ্ৰাৰ সংজ্ঞা সম্পৰ্কীয় চাৰিটা দৃষ্টিভঙ্গী তলত উল্লেখ কৰা ধৰণে আলোচনা কৰিব পাৰি।

(i) **পৰম্পৰাগত দৃষ্টিভঙ্গী** (Traditional Approach) ঃ পৰম্পৰাগত দৃষ্টিভঙ্গী অনুসৰি মুদ্ৰাক কেৱল বিনিময়ৰ মাধ্যম হিচাপে বিবেচনা কৰা হয়। এই অনুসৰি মুদ্ৰাৰ সংজ্ঞাই ব্যয় ক্ষমতা, তৰলতা (liquidity) আদিৰ দৰে বৈশিষ্ট সমুহ সাঙুৰি লয়। এই দৃষ্টিভঙ্গী অনুসৰি মুদ্ৰা (M) প্ৰচলিত মুদ্ৰা (C) আৰু চলিত জমা (DD) ৰে গঠিত। গতিকে,

$$M=C+DD$$

অন্যান্য সকলো সম্পদকে মুদ্ৰা হিচাপে গণ্য কৰিব পাৰি যদিহে, ইয়াক প্ৰচলিত মুদ্ৰা বা চলিত জমালৈ ৰূপান্তৰ কৰিব পাৰি।

(ii) **মুদ্ৰাতত্ববাদী দৃষ্টিভঙ্গী** (Monetarist Approach) ঃ এই দৃষ্টিভঙ্গী মিলটন ফ্ৰিড্‌মেন (Milton Friedman), মুদ্ৰাৰ পৰিমাণ তত্ববিদ আৰু মুদ্ৰাতত্ববিদ সকলৰ সৈতে জড়িত। ফ্ৰিড্‌মেনৰ মতে মুদ্ৰা হ'ল—সাময়িক ক্ৰয় ক্ষমতাৰ এক আহিলা- "a temporary abode of Purchasing power" এই দৃষ্টিভঙ্গী অনুসৰি মুদ্ৰাক যদি নগদ হিচাপত, চলিত জমা হিচাপত বা প্ৰচলিত মুদ্ৰাৰ নিচিনাকৈ অন্য সম্পদৰ ৰূপত ৰখা হয় তেতিয়া ই ক্ৰয় ক্ষমতাৰ সাময়িক মাধ্যম হিচাপে কাৰ্য্য কৰিব। গতিকে মুদ্ৰাতত্ববিদ সকলৰ মতে মুদ্ৰা (M) ই প্ৰচলিত মুদ্ৰা (C), চলিত জমা (DD) আৰু স্থায়ী জমা (TD)ক অন্তৰ্ভূক্ত কৰে। সেই অনুসৰি,

$$M = C + DD + TD$$

অবশ্যে মুদ্ৰাতত্ববিদ সকলে স্থায়ী জমাক মুদ্ৰাত অন্তৰ্ভূক্ত কৰা ক্ষেত্ৰত দুটা অভিধাৰণা (assumption) আগবঢ়াইছে। প্ৰথমতে, মুদ্ৰাক আয়ৰ সৈতে আটাইতকৈ উচ্চ সহ-সম্পৰ্ক (correlation) থকা বুলি ধৰা হয়। দ্বিতীয়তে,

মুদ্ৰাত সকলোবোৰ সম্পদ অন্তৰ্ভূক্ত কৰা হয় যিসমুহ প্ৰচলিত মুদ্ৰা আৰু স্থায়ী জমাৰ সম্পূৰ্ণ বিকল্প।

**(iii) তাৰল্যতাৰ দৃষ্টিভঙ্গী** (Liquidity Approach) ঃ গাৰ্লে আৰু ৰেডক্লিফ কমিটি (Gurely and Redciffe Committee) য়ে মুদ্ৰাৰ সংজ্ঞাৰ ক্ষেত্ৰত তাৰল্যতাৰ দৃষ্টিভঙ্গী আগবঢ়াইছে। এই দৃষ্টিভঙ্গী অনুসৰি মুদ্ৰাৰ পৰিধিত মুদ্ৰাতত্ববিদ সকলে আগবঢ়োৱা মুদ্ৰাৰ উপাদান সমূহৰ বাদেও অনা বিত্তীয় (Non-banking) প্ৰতিষ্ঠান সমুহৰ লেনদেনো অৰ্ন্তভূক্ত কৰা হৈছে। সেই অনুসৰি মুদ্ৰা (M) ই প্ৰচলিত মুদ্ৰা (C), চলিত জমা (DD), স্থায়ী জমা (TD), সঞ্চয় বেংক জমা (SB), অংশ প্ৰত্ৰ (Shares), বণ্ড (Bond) আদিক সাঙুৰি লয়। গতিকে,

M = C+DD+TD+SB+S+B আদি।

তাৰল্যতাৰ দৃষ্টিভঙ্গীয়ে মুদ্ৰাৰ সংজ্ঞা নিৰূপণৰ ক্ষেত্ৰত বিকল্পতা নীতি (Substitutbility criterion) প্ৰয়োগ কৰি প্ৰচলিত মুদ্ৰাৰ পৰিমাণ, চলিত জমা আদিত ভাৰ (Weightage) প্ৰদান কৰিছে। সেই অনুসৰি প্ৰচলিত মুদ্ৰা আৰু চলিত জমাৰ ক্ষেত্ৰত একক (Unit) ভাৰ প্ৰদান কৰা হৈছে। আনহাতে, যি সমূহ সম্পদৰ প্ৰচলিত মুদ্ৰা আৰু চলিত জমাৰ সৈতে কোনো প্ৰকাৰে সম্পৰ্কিত নহয়, সেইবোৰৰ ক্ষেত্ৰত শূণ্য (Zero) ভাৰ দিয়া হৈছে। আকৌ যিবোৰ সম্পদ প্ৰচলিত মুদ্ৰা আৰু চলিত জমাৰ সৈতে অসম্পূৰ্ণ বিকল্প তেনে সম্পদৰ ক্ষেত্ৰত শূণ্য আৰু একৰ মাজত ভাৰ প্ৰদান কৰা হৈছে।

**(iv) কেন্দ্ৰীয় বেংকৰ দৃষ্টিভঙ্গী** (The Central Bank Approach) ঃ কেন্দ্ৰীয় বেংকৰ দৃষ্টিভঙ্গীয়ে আৰু এখোজ আগুবাই গৈ মুদ্ৰাৰ পৰিধিত অৰ্ন্তভূক্ত উপাদান সমূহৰ পৰিসৰ বৃদ্ধি কৰিছে। গতিকে এই দৃষ্টিভঙ্গীত মুদ্ৰা (M)ত অৰ্ন্তভূক্ত কৰা উপদান সমূহ হ'ল প্ৰচলিত মুদ্ৰা (C), চলিত জমা (DD), স্থায়ী জমা (TD), অনা-বিত্তীয় প্ৰতিষ্ঠান (NBFI)-ৰ জমা আৰু অসংগঠিত সংস্থা সমূহৰ জমা (CUA)। গতিকে—

M = C+DD+TD+NBFI+CUA

## 3.3 মুদ্ৰাৰ কাৰ্য্যাবলী (Functions of Money) ঃ

সাম্প্ৰতিক সময়ত মুদ্ৰাই বিভিন্ন কাৰ্য্য সম্পাদন কৰে। মুদ্ৰাৰ বিভিন্ন কাৰ্য্যাৱলীক মূলতঃ তিনিটা বহল ভাগত বিভক্ত কৰিব পাৰি। সেইবোৰ হ'ল—

1. **প্ৰাথমিক কাৰ্য্যাবলী** (Primary Functions) ঃ
2. **গৌণ কাৰ্য্যাবলী** (Secondary Functions) ঃ
3. **আনুসংগিক কাৰ্য্যাবলী** (Contingent Functions) ঃ

উল্লেখিত মুদ্ৰাৰ কাৰ্য্যাবলী তিনিটাক তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি।

### 1. মুদ্ৰাৰ প্ৰাথমিক কাৰ্য্যাবলী (Primary Functions of Money) ঃ

**(i) বিনিময়ৰ মাধ্যম** (Medium of exchange) ঃ মুদ্ৰাৰ দুটা প্ৰাথমিক কাৰ্য্যৰ ভিতৰত বিনিময়ৰ মাধ্যম হিচাপে মুদ্ৰাৰ কাৰ্য্য অতি গুৰুত্বপূৰ্ণ। বিনিময়ৰ মাধ্যম হিচাপে মুদ্ৰাৰ কাৰ্য্যকাৰিতা নিৰ্ভৰ কৰে, বয়-বস্তু আৰু